**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোক সভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে তেওঁ সদায় সদনৰ কাম-কাজসমূহ নিৰপেক্ষভাৱে আৰু নিয়মানুবৰ্তিতা অনুসাৰে হোৱাটো নিশ্চিত কৰাৰ বাবে চেষ্টা কৰি আহিছে।

২। কৃষি কাৰ্যত নিয়োজিত মহিলাসকলক নেতৃত্বৰ প্ৰতি অনুপ্ৰাণিত কৰাটো অতি প্ৰয়োজন বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

৪। উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঐতিহাসিক দাণ্ডি যাত্ৰাত অংশগ্ৰহণ কৰা সাহসী স্বাধীনতা যুঁজাৰুসকললৈ শ্ৰদ্ধা নিবেদন কৰিছে।

আৰু

৫। ভাৰতৰ টেষ্ট আৰু এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ অধিনায়ক সুভমন গীললৈ বি চি চি আইৰ বৰ্ষটোৰ ক্ৰিকেটাৰ হিচাপে বাৰ্ষিক বটাঁ আগবঢ়োৱা হৈছে।

0000000

লোক সভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে তেওঁ সদায় সদনৰ কাম-কাজসমূহ নিৰপেক্ষভাৱে আৰু নিয়মানুবৰ্তিতা অনুসাৰে হোৱাটো নিশ্চিত কৰাৰ বাবে চেষ্টা কৰে। বিৰোধী পক্ষৰ সদস্যসকলে অধ্যক্ষগৰাকীৰ বহিষ্কাৰৰ দাবী জনাই উত্থাপন কৰা প্ৰস্তাৱ সন্দৰ্ভত এটা বিবৃতি দি শ্ৰীবিৰলাই কয় যে তেওঁ সকলোৰে সৈতে সহযোগিতা ৰক্ষা কৰি নিয়ম অনুসাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। অধ্যক্ষগৰাকীয়ে লগতে কয় যে তেওঁ সদায় সদনৰ মৰ্যাদা আৰু সন্মান বজাই ৰখাটো নিশ্চিত কৰাৰ প্ৰয়াস কৰি আহিছে। তদুপৰি সদনৰ সকলো সদস্যকে সমান সুযোগ প্ৰদানৰ চেষ্টা কৰি আহিছে বুলিও শ্ৰীবিৰলাই উল্লেখ কৰে। উল্লেখযোগ্য যে বিৰোধী পক্ষৰ সদস্যসকলে অধ্যক্ষৰ বিৰুদ্ধে অনা বহিস্কাৰৰ প্ৰস্তাৱ কালি ধ্বনিভোটৰ জৰিয়তে খণ্ডন কৰা হয়।

ইপিনে, বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল চলাই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী সাংসদসকলে বিভিন্ন বিষয় লৈ শ্লোগান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষগৰাকীয়ে প্ৰশ্নকালক অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি সকলোকে প্ৰশ্নকাল চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে অধ্যক্ষৰ আহ্বানৰ প্ৰতি সঁহাৰি নজনোৱাত সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰা হয়।

00000000

কৃষি কাৰ্যত নিয়োজিত মহিলাসকলৰ মাজত নেতৃত্বৰ প্ৰতি অনুপ্ৰাণিত কৰাটো অতি প্ৰয়োজন বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ২০২৬ বৰ্ষৰ কৃষি খাদ্য পদ্ধতিত মহিলাৰ ভূমিকা সন্দৰ্ভত গোলকীয় সন্মিলন উদ্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই মন্তব্য কৰে। ভাৰতে মহিলা নেতৃত্বাধীন বিকাশক বাছনি কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে কৃষি খণ্ডত নিয়োজিত মহিলাসকলে নীতি গঠন, সিদ্ধান্ত গ্ৰহণ আৰু নেতৃস্থানত বিশেষ ভূমিকা লাভ কৰা উচিত। এই খণ্ডৰ প্ৰতিটো পৰ্যায়ত মহিলাৰ ব্যাপক অংশগ্ৰহণে কৃষি খণ্ডৰ বিকাশত লিংগ সমতাৰ প্ৰসাৰ কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

বাইট (ৰাষ্ট্ৰপতি)

শ্ৰীমতী মুৰ্মুৱে এই গোলকীয় সন্মিলনত অংশগ্ৰহণকাৰীসকলে প্ৰগতি তথা নতুন উচ্চতা লাভৰ বাবে পথ বিচাৰি ল'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ সকলো অংশীদাৰীক চিন্তা আৰু কাৰ্যত লিংগ নিৰ্বিশেষে বিশেষ অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত সন্ধিয়াৰ ভাগত তেওঁ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। শ্ৰী মোদীয়ে গুৱাহাটীত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানতে তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত কৃষকসকললৈ ২২ সংখ্যক কিস্তি মুকলি কৰিব। পৰহিলৈ শ্ৰীমোদীয়ে শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব। নতুন দিল্লীত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে এই আঁচনিৰ অধীনত দেশৰ প্ৰায় ৯ কোটি ৩২ লাখ কৃষকৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে ১৮ হাজাৰ ৬৬০ কোটি টকা প্ৰেৰণ কৰিব। বৰ্তমানলৈকে এই আঁচনিৰ অধীনত ৪ লাখ ৯ হাজাৰ কোটিৰো অধিক ধন কৃষকসকলৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশত ২০১৪ চনত মুঠ খাদ্যশস্যৰ উৎপাদন ২৫ কোটি ২ লাখ টন হোৱাৰ বিপৰীতে ২০২৫ চনত এই উৎপাদন ৩৫ কোটি ৭ লাখ টনলৈ বৃদ্ধি পাইছে। দেশত সম্প্ৰতি ফল-মূল আৰু শাক-পাচলিৰ উৎপাদনো যথেষ্ট বৃদ্ধি পাইছে বুলি শ্ৰীচৌহানে উল্লেখ কৰে। তেওঁ লগতে কয় যে চৰকাৰে ভাৰত বিস্তাৰ শীৰ্ষক কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত ডিজিটেল মঞ্চৰ প্ৰথমটো পৰ্যায় মুকলি কৰিছে, যাৰ জৰিয়তে

কৃষকসকলে নিজৰ মাতৃভাষাত ফোন কৰি কৃষিকাৰ্য সম্পৰ্কীয় যিকোনো প্ৰশ্নৰ সবিশেষ তথ্য লাভ কৰিব পাৰিব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঐতিহাসিক দাণ্ডি যাত্ৰাত অংশগ্ৰহণ কৰা সাহসী স্বাধীনতা যুঁজাৰুসকললৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে ১৯৩০ চনৰ এই দিনটোতে মহাত্মা গান্ধীৰ নেতৃত্বত উলিওৱা দাণ্ডি যাত্ৰাই ভাৰতৰ স্বাধীনতা আন্দোলনত নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই আন্দোলনে সত্য আৰু অহিংসাৰ পথেৰে আত্মনিৰ্ভৰশীলতাৰ ৰাষ্ট্ৰজোৰা ভাৱনা গঢ়ি তুলিছিল। তেওঁ লগতে কয় যে দাণ্ডি যাত্ৰাৰ দ্বাৰা অনুপ্ৰাণিত হোৱা আত্মনিৰ্ভৰশীলতাৰ ভাৱনাই সম্প্ৰতি আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণ তথা বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ দিশত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত বাট দেখুৱাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত সংস্কৃত শ্লোকৰ জৰিয়তে সত্যৰ জয়ত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে সত্যৰ সদায় জয় হয় আৰু মিথ্যা অৱশেষত ধ্বংস হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সবৰমতি আশ্ৰমৰ পৰা দাণ্ডিলৈ উলিওৱা ঐতিহাসিক যাত্ৰা কেৱল লোণ আইনৰ বিৰুদ্ধে এটা আন্দোলনেই নহয়, বৰঞ্চ ভাৰতীয় লোকৰ মনত স্ব-শাসন, আত্মসন্মান আৰু আত্মনিৰ্ভৰশীলতাৰ ভাৱনা জগাই তোলা মহান সত্যাগ্ৰহ বুলি উল্লেখ কৰে। শ্ৰীবিৰলাই কয় যে এই সাহসী যাত্ৰাই সমগ্ৰ দেশতে স্বাধীনতাৰ আকাংক্ষাক নতুন শক্তি প্ৰদান কৰাৰ লগতে কোটি কোটি ভাৰতীয়ক ঔপনিবেশিক শাসনৰ বিৰুদ্ধে একত্ৰিত কৰিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও দাণ্ডি যাত্ৰাত অংশগ্ৰহণ কৰা বীৰ যুঁজাৰুসকললৈ শ্ৰদ্ধা জনায়। তেওঁ কয় যে এয়া আছিল স্বদেশী আন্দোলনৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ যিয়ে স্বাধীনতা আন্দোলনৰ গতি সলনি কৰিছিল।

০০০০০০০

আজি বিশ্ব বৃক্ক দিৱস। বৃক্ক স্বাস্থ্যৰ প্ৰয়োজনীয়তা, বৃক্ক ৰোগৰ আগতীয়া চিনাক্তকৰণ তথা সুস্থ জীৱন যাপনৰ জৰিয়তে বৃক্ক ৰোগ প্ৰতিৰোধৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে প্ৰতি বছৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে কিডনী স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে এয়া হৈছে অতি গুৰুত্বপূৰ্ণ সময়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত স্বাস্থ্য সেৱাত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চৰকাৰে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচী মুকলি কৰিছে। এই পদক্ষেপৰ জৰিয়তে বৰ্তমান সমগ্ৰ দেশতে কেইবা হাজাৰ ডায়েলাইছিছ কেন্দ্ৰত লাখ লাখ ৰোগীক জীৱনদায়িনী চিকিৎসা প্ৰদান কৰা হৈছে। বৃক্ক স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াটো সুনিশ্চিত কৰা তথা এই ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰিবলৈ শ্ৰীনাড্ডাই সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০

ইৰাণৰ বছ্ৰাৰ সমীপত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন খাৰুৱা তেল পৰিবাহী জাহাজত হোৱা আক্ৰমণত জাহাজখনত থকা এগৰাকী ভাৰতীয় লোক নিহত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ইৰাকস্থিত ভাৰতীয় দূতাবাসে জানিবলৈ দিছে যে ছেফচি বিষ্ণু নামৰ তৈল পৰিবাহী জাহাজখন মাৰ্ছেল দ্বীপৰ ধ্বজাৰে সাগৰত চলিছিল। জাহাজখনত থকা ১৫ গৰাকী সদস্যক সুকলমে জাহাজখনৰ পৰা উদ্ধাৰ কৰা হয়। ভাৰতীয় দূতাবাসে ইৰাকৰ কৰ্তৃপক্ষসমূহৰ সৈতে নিয়মীয়া যোগাযোগ অব্যাহত ৰাখিছে আৰু ভাৰতীয় সদস্য কেইগৰাকীক উদ্ধাৰৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব।

০০০০০০০০০

ভাৰতৰ টেষ্ট আৰু এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ অধিনায়ক সুভমন গীলক বি চি চি আইৰ বৰ্ষটোৰ ক্ৰিকেটাৰ হিচাপে বাৰ্ষিক বটাঁ প্ৰদান কৰা হ'ব। নতুন দিল্লীত অহা দেওবাৰে আয়োজন কৰা কাৰ্যসূচীত ক্ৰিকেটাৰগৰাকীক এই সন্মান প্ৰদান কৰা হ'ব। বিগত বৰ্ষত খেলুৱৈগৰাকীয়ে টেষ্টত ৯৮৩ ৰান কৰে। ইয়াৰে ভিতৰত ইংলেণ্ডৰ বিৰুদ্ধে হোৱা টেষ্টত ৭৫৪ ৰান কৰে। এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত তেওঁ বিগত বৰ্ষত ৪৯০ ৰান সংগ্ৰহ কৰে। দেশৰ প্ৰাক্তন  মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিডক ভাৰতীয় ক্ৰিকেটৰ প্ৰতি আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে কৰ্ণেল চি কে নাইডু জীৱনজোৰা সাফল্য বটাঁৰে সন্মানিত কৰা হ'ব। মুম্বাই ক্ৰিকেট সন্থাক ঘৰুৱা ক্ৰিকেটৰ শ্ৰেষ্ঠ ক্ৰিকেট সংস্থা হিচাপে সন্মানিত কৰা হ'ব।

০০০০০০০০০

সমাপ্ত